**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ছিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰমিনিৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি ভৱনত এখন কালি এখন ভোজমেলৰ আয়োজন কৰে।

২। ব্ৰিকছ শীৰ্ষ সন্মিলনত ভাৰতে অধ্যক্ষতা কৰাৰ বিষয়টোক সক্ৰিয়ৰূপত সমৰ্থন জনাব বুলি ৰাছিয়াই স্পষ্ট কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামৰ সৈতে কালি এটা টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

*আৰু*

৪। পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নেডাৰলেণ্ডছ নামিবিয়াৰ, নিউজিলেণ্ড সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ আৰু পাকিস্তান আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ’ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ছিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰমিনিৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি ভৱনত কালি এখন ভোজমেলৰ আয়োজন কৰে। তেওঁক আদৰণি জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰত আৰু ছিচিলিৰ সম্পৰ্ক উভয় ৰাষ্ট্ৰৰ মাজৰ পাৰস্পৰিক সন্মান, বিশ্বাস, গণতন্ত্ৰ আৰু বহুত্ববাদৰ প্ৰতি থকা আস্থাৰ ওপৰত আধাৰিত। তেওঁ কয়, যে ভাৰত মহাসাগৰৰ লহৰ আৰু গভীৰ সাংস্কৃতিক সম্বন্ধই উভয় ৰাষ্ট্ৰক সংযোজিত কৰি ৰাখিছে। ছিচিলিয়ে এইবছৰ স্বাধীনতাৰ ৫০ বছৰ সম্পূৰ্ণ কৰিছে আৰু ভাৰত আৰু ছিলিলিৰ মাজৰ ৰাজনৈতিক সম্পৰ্কৰো সোণালী জয়ন্তী পালন কৰা হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে প্ৰকাশ কৰে। ভাৰতৰ মহাসাগৰ দৃষ্টিভংগীত ছিচিলিয়ে এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয়, যে ই স্থায়ী বিকাশৰ বাবে ব্যৱসায়, দক্ষতা বৃদ্ধি আৰু ভৱিষ্যতৰ বাবে পাৰস্পৰিক সুৰক্ষাৰ ওপৰত আধাৰিত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব। এই দৃষ্টিভংগীৰ জৰিয়তে ভাৰতে ছিচিলিৰ উন্নয়নৰ আৰু প্ৰতিৰক্ষাজনিত প্ৰয়োজনীয়তা পূৰ কৰিবলৈ সদায়ে প্ৰস্তুত হৈ থাকিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে নিশ্চিতি দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে তেওঁৰ এই ভ্ৰমণৰ সময়ছোৱাত ঘোষিত বিশেষ অৰ্থনৈতিক পেকেজে স্বাস্থ্য, শিক্ষা, প্ৰতিৰক্ষা, আন্তঃগাঁথনি, দক্ষতা বিকাশ আদিৰ দৰে খণ্ডত উভয় ৰাষ্ট্ৰৰ সহযোগিতাত নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰে। পাৰস্পৰিক সহযোগিতা অধিক গভীৰ কৰি তোলাৰ ক্ষেত্ৰত থকা অপাৰ সম্ভাৱনাৰ বিষয়েও দুয়োগৰাকী নেতাই সহমত প্ৰকাশ কৰে।

০০০০০

ব্ৰিকছ শীৰ্ষ সন্মিলনত ভাৰতে অধ্যক্ষতা কৰাৰ বিষয়টোক সক্ৰিয়ৰূপত সমৰ্থন জনাব বুলি ৰাছিয়াই স্পষ্ট কৰিছে। ৰাছিয়াই লগতে নতুন দিল্লীৰ স্থিতি বা লক্ষ্যক আধুনিক আৰু অতি প্ৰাসংগিক বুলি অভিহিত কৰি সন্ত্ৰাসবাদ বিৰোধী তথা শক্তি নিৰাপত্তাৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছৰ্গই লাৱৰ'ভে কৈছে যে চলিত বৰ্ষৰ ১ জানুৱাৰীত অধ্যক্ষতা গ্ৰহণ কৰা ভাৰতে বৰ্তমানৰ গোলকীয় প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ লগতে ভৱিষ্যতৰ বাবে প্ৰস্তুতিকো অগ্ৰাধিকাৰ দিছে। টিভি ব্ৰিকছৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ অঞ্চলটোত অহৰহ ভাবুকিৰ মাজত সন্ত্ৰাসবাদ বিৰোধীৰ প্ৰাসংগিকতাত আলোকপাত কৰে। তেওঁ কয় যে ৰাছিয়াই ৰাষ্ট্ৰসংঘত ভাৰতৰ সৈতে এক বিশ্ব সন্মিলনকলৈ ঘনিষ্ঠভাৱে কাম কৰি আছে। ব্ৰিকছৰ সদস্যসকলে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰ লগতে স্বচ্ছতাক সমৰ্থন কৰে বুলিও তেওঁ মন্তব্য কৰে।

00000

নতুন দিল্লীত কালি ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ প্ৰস্তুতিত কৰ্মৰত বিষয়াসকলৰ প্ৰথমখন শ্বেৰপা বৈঠক অনুষ্ঠিত হয়। অৰ্থনৈতিক সম্পৰ্কৰ সচিব আৰু ভাৰতৰ ব্ৰীকছ্ শ্বেৰপা সুধাকৰ ডালেলাই এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মানৱীয় দৃষ্টিভংগী আৰু জনহিতৈষী আদৰ্শ ওপৰত আধাৰিত ব্ৰীকছ্ অধ্যক্ষতাৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু সম্পৰ্কে আলোকপাত কৰে। উল্লেখযোগ্য যে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা ব্ৰীকছ্ সংগঠনৰ মূল সদস্য ৰাষ্ট্ৰ। ভাৰতে এইবাৰ চতুৰ্থবাৰৰ বাবে এই সন্মিলনৰ অধ্যক্ষতা কৰিব। ইয়াৰ পূৰ্বে ২০১২, ২০১৬ আৰু ২০২১ত ভাৰতে ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অধ্যক্ষতা কৰিছিল।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছ্ৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামৰ সৈতে কালি এটা টেলিফোনিক বাৰ্তালাপত মিলিত হয়। এই কথা বতৰাৰ সময়ত দুয়োগৰাকী নেতাই উভয় ৰাষ্ট্ৰৰ মাজৰ বিশেষ ঐতিহাসিক আৰু জনসাধাৰণ কেন্দ্ৰিক চুক্তিসমূহ অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে বুলি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে উল্লেখ কৰে। দুয়োগৰাকী নেতাই লগতে উভয় ৰাষ্ট্ৰৰ মাজৰ ব্যাপক সহযোগিতাৰ প্ৰগতি সম্পৰ্কেও পৰ্যালোচনা কৰে। ভাৰত মহাসাগৰীয় অঞ্চলত শান্তি আৰু স্থিৰতা ৰক্ষা কৰাৰ বাবে ভাৰত আৰু মৰিচাছে সমন্বিত কাৰ্যসূচী অব্যাহত ৰাখিব বুলিও শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে অহা সপ্তাহত হ'বলগীয়া এ আই ইম্পেক্ট শীৰ্ষ সন্মিলনত ড০ ৰামগুলামক আদৰণি জনাবলৈ আগ্ৰহেৰে অপেক্ষা কৰা বুলিও মত প্ৰকাশ কৰে।

00000

নিবনুৱা আঁচনি ২০২৬ ৰ অধীনত নিবনুৱা যুৱক-যুৱতীক চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলি দাবী কৰি সামাজিক মাধ্যমত প্ৰচাৰিত এটা ভিডিঅ' চৰকাৰে ভুৱা বুলি প্ৰকাশ কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰ'ৰ ফেক্ট চেক কোষে এই দাবী ভুৱা আৰু কেন্দ্ৰীয় চৰকাৰে এনে কোনো আঁচনি ঘোষণা কৰা নাই বুলি জনাইছে। কোনো অজ্ঞাত লিংক বা ৱেবছাইটত ব্যক্তিগত তথ্য নিদিবলৈও প্ৰেছ ইনফৰমেছন ব্যুৰ'ই সকলোকে আহ্বান জনাইছে।

00000

ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত ভাৰতস্থিত আমেৰিকাৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গোৰক সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই ভাৰত - আমেৰিকা কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়ে বিস্তৃতৰূপত

আলোচনা কৰে। বিশেষকৈ ছেমিকণ্ডাক্টৰ, ইলেক্ট্ৰনিক্স সামগ্ৰী উৎপাদন আৰু যোগান শৃংখলাৰ স্থিতিশীলতা তথা সহনশীলতা বৃদ্ধিৰ দিশত আলোচনাত গুৰুত্ব আৰোপ কৰা হয়।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে : 'AI Impact Summit 2026'ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শক্তিশালী আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰাৰ কথাও উল্লেখ কৰে।

০০০০০

প্ৰতিৰক্ষা বিভাগৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে কালি ৰিয়াদত অনুষ্ঠিত World Defense Show 2026ৰ অংশগ্ৰহণৰ আপাহতে ছৌদি আৰৱৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ কাৰ্যনিৰ্বাহী বিষয়ৰ সহকাৰী মন্ত্ৰী ডঃ খালেদ বিন হুছেইন আল-বিয়াৰীক সাক্ষাৎ কৰে।

ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, এই সাক্ষাৎকালত দুয়ো দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। আলোচনাত প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি, বিভিন্ন সশস্ত্ৰ বাহিনীৰ মাজত পাৰস্পৰিক সম্পৰ্ক বিস্তাৰ আৰু প্ৰতিৰক্ষা তথা সুৰক্ষা ক্ষেত্ৰত সহযোগিতা অধিক গভীৰ কৰাৰ সম্ভাৱনাসমূহ পৰ্যালোচনা কৰা হয়।

এই সাক্ষাতে ভাৰত আৰু ছৌদি আৰৱৰ মাজত প্ৰতিৰক্ষা আৰু সুৰক্ষা ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ নতুন সুযোগসমূহ অনুসন্ধান কৰাৰ প্ৰতি দুয়ো দেশৰ যৌথ অংগীকাৰ সুদৃঢ় কৰিব।

০০০০০

প্ৰতিৰক্ষা খণ্ডৰ বাবে বাজেটত আৱণ্টন বৃদ্ধিয়ে সশস্ত্ৰ বাহিনীৰ যুদ্ধ প্ৰস্তুতি শক্তিশালী কৰাৰ লগতে আমদানীৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব, কৌশলগত স্বায়ত্ত শাসন বৃদ্ধি কৰিব আৰু যোগান শৃংখলাৰ উন্নতি সাধন কৰিব বুলি প্ৰতিৰক্ষা সেৱাৰ বিত্তীয় উপদেষ্টা ৰাজকুমাৰ অৰোৰাই প্ৰকাশ কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত শ্ৰীঅৰোৰাই কয় যে প্ৰতিৰক্ষা ক্ষেত্ৰত বাজেট আৱণ্টনে সামৰ্থ বৃদ্ধি আৰু গতিশীলতা বৃদ্ধি কৰিব। তদুপৰি আৱণ্টন বৃদ্ধিয়ে অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদৰ উপলভ্যতাও সহজ কৰি তুলিব। ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত  প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ লাখ ৮৫ হাজাৰ কোটি টকা আৱণ্টন দিয়া হৈছে। তেওঁ কয়, যে এই আৱণ্টন যোৱা বছৰৰ আৱণ্টনৰ ১৬ শতাংশতকৈও অধিক। বৰ্তমানৰ ৰাজনৈতিক অৱস্থাত আত্মনিৰ্ভৰশীলতা এতিয়া বিকল্পই নহয় বৰঞ্চ অতি আৱশ্যকীয়। অপাৰেচন সিন্দূৰৰ পাছত এয়া প্ৰথম বাজেট বুলি শ্ৰীঅৰোৰাই গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে অপাৰেচন সিন্দূৰৰ পাছত চৰকাৰে দ্ৰুত গতিত অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিছে। মূলধনৰ ক্ষেত্ৰত ৩৫ হাজাৰ কোটি টকাতকৈ অধিক ধন এনে ক্ৰয়ৰ বাবে আৱণ্টন দিয়া হৈছে আৰু ৰাজহ প্ৰকল্পৰ বাবে ১৭ হাজাৰ কোটিতকৈও অধিক ধনত অনুমোদন দিয়া হৈছে। ইয়াৰ ফলত সশস্ত্ৰ বাহিনীৰ সামৰ্থ বৃদ্ধি পাইছে।

০০০০০

পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত নেডাৰলেণ্ডছ নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১১ বজাত আৰম্ভ হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া খেলখনত নিউজিলেণ্ডে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে আৰু সন্ধিয়া ৭ বজাত কলম্বোৰ সিংহালীজ স্পৰ্টছ ক্লাবত হ'বলগীয়া খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব।

কালি সন্ধিয়া গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে ৫৭ ৰানত বিজয় সাব্যস্ত কৰে। জয়ৰ বাবে দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ২১৪ ৰানৰ লক্ষ্যৰে খেলি কানাডাই নিৰ্ধাৰিত ২০

অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। কানাডাৰ হৈ নবনীত ধালিৱালে ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিৰিয়ে ৪টা উইকেট দখল কৰে। তেওঁক প্লেয়াৰ অব্ দা মেচ ঘোষণা কৰা হয়।

ইপিনে, প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ এখন খেলত কালি জিম্বাবুৱেই-ওমানক ৮ উইকেটত পৰাস্ত কৰে। কলম্বোৰ সিংহালীজ স্পোৰ্টছ ক্লাবত অনুষ্ঠিত খেলখনত ১০৪ ৰানৰ বিজয় লক্ষ্যৰে খেলি জিম্বাবুৱেই ১৩ অভাৰ ৩ টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ২০৮ ৰানৰ লক্ষ্যৰে খেলি ইটালীয়ে ১৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত